Total number of printed pages–7

**63/1 (SEM–5) CC12/ASMHC5126**

**2023**

# ASSAMESE

Paper : ASMHC5126

***(Introduction to Literary Trends)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'ৰোমাণ্টিক' শব্দটোৰ অসমীয়া ভাষাৰ পৰিভাষা স্বৰূপে 'ৰমন্যাস' শব্দটো কোনে ব্যৱহাৰ কৰিছিল?

*(i)* নগেন শইকীয়া

*(ii)* মহেন্দ্ৰ বৰা

*(iii)* গোবিন্দপ্ৰসাদ শৰ্মা

*(iv)* আনন্দ বৰমুদৈ

Contd.

(খ) ইংৰাজী সাহিত্যত __________ শতিকাৰ শেষ দশকত আধুনিকতাবাদী সাহিত্যৰ উন্মেষ ঘটে।

*(i)* সপ্তদশ

*(ii)* অষ্টাদশ

*(iii)* বিংশ

*(iv)* ঊনবিংশ

(গ) কোনখন আলোচনীৰ যোগেদি অসমীয়া সাহিত্যত ৰমন্যাসবাদী সাহিত্যৰ উদ্ভৱ হয়?

*(i)* অৰুণোদয়

*(ii)* জোনাকী

*(iii)* আবাহন

*(iv)* ৰামধেনু

(ঘ) পোনতে বাস্তৱতাবাদী আন্দোলনৰ সূচনা হয়

*(i)* ফৰাচী সাহিত্যত

*(ii)* ইংৰাজী সাহিত্যত

*(iii)* জাৰ্মান সাহিত্যত

*(iv)* ৰুচ সাহিত্যত



(ঙ) 'সৌন্দৰ্যৰ সৈতে অদ্ভুতৰ সংযোগ' (Addition of strangeness to beauty) ত ৰোমাণ্টিকতাৰ জন্ম বুলি কোনে কৈছিল?

*(i)* চি. এইছ. হাৰ্ফডে

*(ii)* হিউগোৱে

*(iii)* পেটাৰে

*(iv)* ৰাট্‌ছ ডাল্টনে

(চ) 'লিৰিকেল বেলাডছ্' (Lyrical Ballads) গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

*(i)* উইলিয়াম ৱৰ্ডছ্‌ৱৰ্থ

*(ii)* পি. বি. শ্বেলী

*(iii)* চেমুৱেল জনচন

*(iv)* ডব্লিউ. এইচ. অডেন

(ছ) তলৰ কোনখন গ্ৰন্থ মহেন্দ্ৰ বৰাই ৰচনা কৰিছিল?

*(i)* আধুনিকতাৰ পৰা উত্তৰ-আধুনিকতালৈ

*(ii)* ৰমন্যাসবাদ

*(iii)* সাহিত্য-বাদবৈচিত্ৰ্য

*(iv)* সাহিত্য অধ্যয়ন

(জ) ভাৰতবৰ্ষত 'ধ্ৰুপদী' শব্দটোৰ ব্যৱহাৰ কোন শতিকাৰ পৰা হৈছিল?

(i) বিংশ শতিকা

(ii) একবিংশ শতিকা

(iii) দ্বাদশ শতিকা

(iv) ঊনবিংশ শতিকা

(ঝ) ইংৰাজী 'Realism' শব্দটোৰ অসমীয়া পৰিভাষা হ'ল

(i) বাস্তৱতাবাদ

(ii) ৰোমাণ্টিকতাবাদ

(iii) আধুনিকতাবাদ

(iv) ধ্ৰুৱবাদ

(ঞ) তলৰ কোন গৰাকী কবি অসমীয়া ৰোমাণ্টিক যুগৰ কবি নহয়?

(i) ৰঘুনাথ চৌধাৰী

(ii) হেমচন্দ্ৰ গোস্বামী

(iii) হেম বৰুৱা

(iv) চন্দ্ৰকুমাৰ আগৰৱালা



২। চমু উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) নব্য ধ্ৰুপদী সাহিত্য বুলিলে কি বুজা?

(খ) অসমীয়া সাহিত্যৰ দুগৰাকী ৰোমাণ্টিক কবিৰ নাম লিখা।

(গ) মহাকবি হোমাৰে ৰচনা কৰা *দুখন* ধ্ৰুপদী গ্ৰন্থৰ নাম লিখা।

(ঘ) চি. এইছ. হাৰ্ফড (C. H. Herford) য়ে উল্লেখ কৰা ৰোমাণ্টিকতাবাদৰ সংজ্ঞাটো লিখা।

(ঙ) প্ৰতীতিবাদী আন্দোলন বুলিলে কি বুজা?

(চ) অসমীয়া উপন্যাস সাহিত্যত কোন *দুখন* উপন্যাসৰ যোগেদি প্ৰথম আধুনিকতাবাদী উপন্যাসৰ ঢল নামে?

(ছ) ধ্ৰুৱবাদৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদৰ মাজত থকা পাৰ্থক্যসমূহ বিচাৰ কৰা।

(খ) মহাকাব্যৰ বৈশিষ্ট্যসমূহ চমুকৈ লিখা।

(গ) অসমীয়া ৰোমাণ্টিক কবিতাৰ ৫টা বৈশিষ্ট্য লিখা।

(ঘ) আধুনিক অসমীয়া কবিতাত ব্যৱহৃত প্ৰতীকৰ বিষয়ে চমুকৈ লিখা।

(ঙ) বাস্তৱবাদী সাহিত্যত সমাজৰ কেনেধৰণৰ ছৱি প্ৰতিফলিত হয়?

(চ) আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ছ) আধুনিক ইংৰাজীত 'ৰোমান্টিক' শব্দটোৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

(জ) অস্তিত্ববাদ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঝ) জোনাকী যুগৰ অসমীয়া চুটিগল্প সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

(ঞ) প্ৰকৃতিবাদৰ বৈশিষ্ট্যসমূহ চমুকৈ লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) আধুনিকতাবাদ বুলিলে কি বুজা? আধুনিকতাবাদ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া ৰোমান্টিক কবিতাৰ পটভূমি নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(গ) অসমীয়া উপন্যাসত উত্তৰ-আধুনিকতাবাদী ভাৱনাৰ প্ৰকাশ কিদৰে দেখা গৈছে এটি আলোচনা আগবঢ়োৱা।

(ঘ) বাস্তৱবাদী সাহিত্যৰ লক্ষণসমূহ বিচাৰ কৰা।



৫। তলত দিয়া প্ৰশ্নসমূহৰ *যিকোনো এটাৰ* উত্তৰ লিখা ঃ ১৪×১=১৪

(ক) ধ্ৰুপদী সাহিত্য সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) অভিব্যক্তিবাদ বুলিলে কি বুজা? অভিব্যক্তি আন্দোলনৰ মূল কথাখিনি বহলাই আলোচনা কৰা।

(গ) 'আধুনিকতাবাদ আৰু অসমীয়া উপন্যাস' শীৰ্ষক এটি আলোচনা যুগুত কৰা।

---